**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-01-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী ডʼ হিমন্ত বিশ্ব শৰ্মাই আজি দক্ষিণ কোৰিয়াৰ ৰাজধানী চিউলত দেশখনৰ এগৰাকী মন্ত্ৰীৰ লগতে কেইবাটাও ঔদ্যোগিক প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰে। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হʼবলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ উদ্দেশ্যৰে দক্ষিণ কোৰিয়া আৰু জাপান ভ্ৰমণলৈ যোৱা মুখ্যমন্ত্ৰীয়ে আজি দক্ষিণ কোৰিয়াৰ এছ্ এম ই আৰু ষ্টাৰ্টআপ মন্ত্ৰী অʼহ য়ংজুক সাক্ষাৎ কৰি অসম আৰু দক্ষিণ কোৰিয়াৰ উদ্যোগ আৰু ষ্টাৰ্টআপসমূহৰ মাজত সহযোগিতা ৰক্ষা সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে দেশখনৰ নৱীকৰণযোগ্য আৰু স্বচ্ছ শক্তিৰ অন্যতম বৃহৎ প্ৰতিষ্ঠান জি এছ্ গ্ৰুপৰ উপাধ্যক্ষ য়ং হা ৰুৰ সৈতে আলোচনাত মিলিত হয়। ডʼ শৰ্মাই ২০৩০ চনৰ ভিতৰত ৰাজ্যত ৩ হাজাৰ মেগাৱাট স্বচ্ছ শক্তি উৎপাদনৰ লক্ষ্যৰ বিষয়ে অৱগত কৰি এইক্ষেত্ৰত প্ৰতিষ্ঠানটোৰ সহযোগিতা কামনা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ছেমি কণ্ডাক্টৰ আৰু এল ই ডি প্ৰযুক্তিৰ ক্ষেত্ৰত উল্লেখনীয় কাম কৰি থকা উদ্ভাৱনী সংস্থা ছিউল ভায়ʼছিছৰ মুখ্য কাৰ্যবাহী বিষয়া লি য়ং জুক সাক্ষাৎ কৰি এডভাণ্টেজ আছামৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনায়। ডʼ শৰ্মাই কয়, যে অসমত ছেমি কণ্ডাক্টৰ পৰিৱেশ তন্ত্ৰ গঢ়ি তোলাৰ বাবে এই উদ্যোগৰ অংশীদাৰসকলক ছেটেলাইট চিটী নিৰ্মাণৰ পৰা আৰম্ভ কৰি সকলোধৰণৰ সহায়-সমৰ্থন আগবঢ়াবলৈ চৰকাৰ বদ্ধপৰিকৰ। মুখ্যমন্ত্ৰীয়ে ইয়াৰ পূৰ্বে বিশ্বৰ অন্যতম বৃহৎ ছেমি কণ্ডাক্টৰ গোট এছ কে হাইনিক্সৰ উপাধ্যক্ষক সাক্ষাৎ কৰি অসমক আন্তঃৰাষ্ট্ৰীয় ছেমি কণ্ডাক্টৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ পৰিকল্পনা সন্দৰ্ভত আলোচনা কৰে।

০০০০০০০

চলিত বছৰৰ দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ বহিঃমূল্যায়নৰ দ্বিতীয় দিনা আজি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। কালি ১৩ খন জিলাৰ ৫ হাজাৰ ৩৭১ খন বিদ্যালয়ৰ ৫ লাখ ১২ হাজাৰৰো অধিক শিক্ষাৰ্থীৰ মূল্যায়ন কৰা হয়। এই পৰ্যায়ত চৰাইদেউ, ধেমাজি, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, তিনিচুকীয়া, শোণিতপুৰ, পশ্চিম কাৰ্বি আংলং, কামৰূপ মহানগৰ, ধুবুৰী, চিৰাং আৰু বাক্সা জিলাৰ মূল্যায়ন কৰা হৈছে।

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰে আজি **গুৱাহাটী**ৰ কাহিলীপাৰাৰ ফাগুনা ৰাভা উচ্চ মাধ্যমিক বিদ্যালয় আৰু লক্ষ্মীনাথ বেজবৰুৱা মধ্য ইংৰাজী বিদ্যালয়ত গুণোৎসৱৰ কাৰ্যসূচীত ভাগ লয়। **চিৰাং** জিলাৰ অভিভাৱক মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই আজি জিলাখনৰ বড়োবজাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, বড়োবজাৰ কস্তুৰবা বালিকা বিদ্যালয় আৰু চাৰাগাঁও মজলীয়া বিদ্যালয়ত গুণোৎসৱৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে **ধুবুৰী** জিলাৰ মাজপাৰা প্ৰাথমিক বিদ্যালয় আৰু পি এম শ্ৰী বি চি মেমʼৰিয়েল ছোৱালী মধ্য ইংৰাজী বিদ্যালয়ত গুণোৎসৱৰ কাৰ্যসূচী পৰিদৰ্শন কৰে। এই পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীয়ে বিদ্যালয়ৰ মধ্যাহ্ন ভোজনতো অংশ লয়।

০০০০০

ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান, আই আই টি গুৱাহাটীত আজি 'পেন আই আই টি ৱৰ্ল্ড অব্ টেকনʼলজি মিট, ২০২৫' শীৰ্ষক অনুষ্ঠান অনুষ্ঠিত হৈছে। প্ৰতিষ্ঠানটোৰ প্ৰাক্তন শিক্ষাৰ্থীসকলৰ প্ৰচেষ্টাত প্ৰযুক্তি বিদ্যা সম্পৰ্কীয়

এই সন্মিলনখন আজি পুৰা ৰাজ্য চৰকাৰৰ মুখ্য সচিব ড° ৰবি এছ কোটাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। অনুষ্ঠানত জল, স্বাস্থ্য, শক্তি, শিক্ষা, জীৱিকা আৰু বহনক্ষমতাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি গ্ৰামাঞ্চলৰ বিকাশত প্ৰযুক্তিৰ ভূমিকাত আলোকপাত কৰা হয়। আই আই টি, গুৱাহাটীৰ সঞ্চালক অধ্যাপক দেৱেন্দ্ৰ জালিহালে উদ্বোধনী ভাষণত অতিথি আৰু প্ৰতিনিধিসকলক এই অনুষ্ঠানলৈ আদৰণি জনায় কয়, যে এই পেন আই আই টি শীৰ্ষক অনুষ্ঠানে উদ্ভাৱন আৰু সামাজিক প্ৰভাৱৰ ক্ষেত্ৰত প্ৰতিষ্ঠানখনৰ দায়বদ্ধতাক প্ৰতিফলিত কৰিছে।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ অনলাইন প্ৰ-পত্ৰ পূৰণৰ বাবে কাইলৈৰ পৰা ৩০ জানুৱাৰীলৈ সংশ্লিষ্ট প'ৰ্টেল পুনৰ মুকলি কৰিব। পৰিষদে আজি এখন জাননীযোগে সকলো শিক্ষানুষ্ঠানৰ মুৰব্বীসকলক অনলাইন প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া ৩০ জানুৱাৰীৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে। পৰৱৰ্তী সময়ত এই সময়সীমা কোনো কাৰণতে বৃদ্ধি কৰা নহয় বুলিও পৰিষদে নিৰ্দেশটোত স্পষ্ট কৰি দিছে।

০০০০০০০

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি জাগীৰোড-মৰিগাঁও সংযোগী পথৰ কপিলী নৈৰ ওপৰত নিৰ্মীয়মান দলঙৰ কাম-কাজ পৰিদৰ্শন কৰে। তেওঁ লগতে দলংখনৰ কামসমূহ যাতে সুচাৰুৰূপে সম্পন্ন হয়, তাৰবাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। জাগীৰোড আৰু মৰিগাঁওবাসীৰ যাতায়াত-যোগাযোগ ব্যৱস্থাৰ ক্ষেত্ৰত থকা অসুবিধাসমূহ দূৰ কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অহা ১ ফেব্ৰুৱাৰীত এই দলংখন উদ্বোধন কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

সমাগত গণৰাজ্য দিৱস উপলক্ষে তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় চৌহদত আজি এটা ৰাষ্ট্ৰীয় পতাকা বিক্ৰী কেন্দ্ৰৰ শুভ উদ্বোধন কৰা হয়। জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে এই হস্তনিৰ্মিত ৰাষ্ট্ৰীয় পতাকা বিক্ৰী কেন্দ্ৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই অনুষ্ঠানতে দেশপ্ৰেমমূলক সংগীত প্ৰচাৰৰ বাবে এখন ভ্ৰাম্যমান বাহন মুকলি কৰা হয়। জিলা আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰী আৰু পৌৰপতি বাণীকান্ত বসুমতাৰীয়ে বাহনখন মুকলি কৰে। অনুষ্ঠানত জিলাখনৰ সহকাৰী আয়ুক্ত, অতিৰিক্ত আয়ুক্ত, পৌৰসভাৰ উপাধ্যক্ষৰ লগতে ভালেসংখ্যক বিশিষ্ট লোক উপস্থিত থাকে।

০০০০০০০

**সমাপ্ত**